# ৰমজান সম্পৰ্কত জৰুৰী মাছআলা-মাছাঈল

প্ৰশ্নঃ আজান দি থকা অৱস্থাত বা আজানৰ পিছত চেহৰী খালে ৰোজা হ'ব নে নহয়?

উত্তৰঃ চুবহে স্বাদিক (প্ৰভাত) হোৱাৰ লগে লগে চেহৰীৰ সময় শেষ হৈ যায়। তাৰ পিছত চেহৰী খোৱা-লোৱাৰ অনুমতি নহ'ব আৰু আজান ফজৰৰ সময় আৰম্ভ হোৱাৰ কাৰণে ফজৰৰ নামাজৰ বাবে দিয়া হয়। এতেকে যি ব্যক্তিয়ে আজানৰ শেষ পৰ্যন্ত খোৱা-বোৱা কৰি থাকিব তেওঁৰ সেইদিনৰ ৰোজা নহ'ব। সেই ব্যক্তিৰ প্ৰতি উক্ত ৰোজাৰ ক্বাজা আৱশ্যকীয় হ'ব। 'তানৱীৰুল আবস্বাৰ'ত আছে, "ফজৰৰ সময় আৰম্ভ হোৱাৰ পিছত যদি কোনোৱে ৰাতি বুলি ভাবি চেহৰী কৰিলে। তেন্তে তাৰ প্ৰতি মাত্ৰ ক্বাজা আৱশ্যকীয় হ'ব।" (দুৰ্ৰোল মুহতাৰ, খণ্ড-৩, পৃঃ ৪৩৬ বেইৰুত) 'ফাতাৱা-ই-ৰেজৱীয়্যাহ', খণ্ড-১০, পৃঃ ৫১৭-৫১৯, ৰাজা ফাউণ্ডেশ্যন, লাহোৰতো এনেদৰে উল্লেখ আছে। 'বাহাৰে শ্বৰীঅ'ত'ত আছে যে যদি কোনোৱে এই সন্দেহত চেহৰী খালে যে এতিয়াও ৰাতি হৈ থকাত সন্দেহ আছে যে সময় আছে নে নাই ইতিমধ্যে চেহৰীৰ সময় অতিবাহিত হৈ গৈছে। এনেকুৱা সকলোবোৰ অৱস্থাত মাত্ৰ ক্বাজা ওৱাজিব হ'ব কাফ্ফাৰাহ নহয়। (বাহাৰে শ্বৰীঅ'ত, খণ্ড-১, অধ্যায়- ৫, পৃঃ ৯৮৯)

* আজানৰ আগমুহূৰ্তলৈ ৰখি নাথাকি ৰমজানৰ সময় তালিকা অনুসৰি পাঁচ-দহ মিনিট আগতেই খোৱা-লোৱা বন্ধ কৰি ৰোজাৰ নিয়্যত কৰি লোৱাটো অতি আৱশ্যকীয়। আনহাতে চেহৰী খাই থকা অৱস্থাত আজান শুনিলে যিখিনি খাদ্য মুখত আছে সেইখিনি খাদ্য নিগিলি লগে লগে মুখ পৰিষ্কাৰ কৰি ৰোজাৰ নিয়্যত কৰাটো আৱশ্যকীয়। যদি কোনোৱে ভাৱে এঢোক পানী বা মুখত থকা খাদ্যখিনি খাই লওঁ। তেনেহ'লে ৰোজা নহ'ব। কাৰণ সময় অতিবাহিত হৈ যোৱাৰ পিছত খোৱা হৈছে।

প্ৰশ্নঃ কোনো মানুহে চেহৰীৰ সময়ত সাৰ নাপালে, ইতিমধ্যে চেহৰীৰ সময় অতিবাহিত হ'ল অথবা আজান হ'ল তেনে মুহূৰ্তত কি কৰা হ'ব?

উত্তৰঃ ৰোজাৰ কাৰণে চেহৰী খোৱা চৰ্ত নহয়। বৰং এটি পচন্দনীয় ছুন্নত। আগৰাতিয়েই নিয়্যত কৰি লওঁক অথবা দ্বিপ্ৰহৰৰ আগতেই নিয়্যত কৰি ল'ব।

প্ৰশ্নঃ চেহৰীৰ আগত বা পিছত স্বপ্নদোষ হ'লে ৰোজা ভঙ্গ হ'ব নে?

উত্তৰঃ তেনে অৱস্থাত ৰোজা ভঙ্গ নহ'ব। যথাসম্ভৱ গোচল কৰা জৰুৰী। যদি নামাজৰ সময় আহি যায় তেনেহ'লে গোচল কৰা ফৰজ অন্যথা গুনাহগাৰ হ'ব।

প্ৰশ্নঃ ইফতাৰৰ দুআ' কেতিয়া পঢ়িব লাগে?

উত্তৰঃ বিছ্মিল্লাহ পঢ়ি ইফতাৰ কৰিব, তাৰ পিছত ইফতাৰৰ দুআ' পঢ়িব। এয়া ছুন্নত। (ছুনানে আবু দাউদ, খণ্ড-৪, পৃঃ ৪০, হাদীচ নং- ২৩৫৮, বেইৰুত, ফাতাৱা-ই-ৰেজৱীয়্যাহ, খণ্ড-৪, পৃঃ ৪৫১)

প্ৰশ্নঃ ৰোজাৰ দিনত ৰাতি সহবাস কৰা জায়েজ নে?

উত্তৰঃ জায়েজ (পাৰি)। কিন্তু সহবাসৰ পিছত যথাসম্ভৱ গোচল কৰা জৰুৰী। (আল ক্বুৰ্আন)

প্ৰশ্নঃ ৰোজা ৰখা অৱস্থাত ইঞ্জেকচন ল'ব পাৰি নে নোৱাৰি?

উত্তৰঃ ইঞ্জেকচন ল'লে ৰোজা ভঙ্গ নহয়।

প্ৰঃ সৰু-সুৰা বেমাৰ যেনে- মূৰৰ বিষ, গেচ, পানী লগা জ্বৰ, পেটৰ বিষ আদিত ৰোজা মাফ হয় নেকি?

উত্তৰঃ মাফ নহয়। এনে অৱস্থাত ৰোজা এৰি দিয়া হাৰাম।

প্ৰশ্নঃ ৰোজা থকা অৱস্থাত সুগন্ধি যেনে- আতৰ, চুৰ্মা আদি লগাব পাৰিনে?

উত্তৰঃ পাৰি।

প্ৰশ্নঃ ৰোজা থকা অৱস্থাত নখ, চুলি, নাভিৰ তলৰ নোম ইত্যাদি কাটিব পাৰিনে?

উত্তৰঃ পাৰি।

প্ৰশ্নঃ ৰোজা থকা অৱস্থাত হোক্কা, বিড়ি, চিগাৰেট, চাধা আৰু পাণ আদি খালে ৰোজা হ'ব নে নহয়?

উত্তৰঃ ৰোজা ভঙ্গ হ'ব।

প্ৰশ্নঃ ৰাতি চেহৰী খাই চাধা, পান মুখত থকা অৱস্থাত টোপনি গ'ল। ৰাতিপুৱা সাৰ পাই দেখিলে মুখত চাধা, পাণ আছে। এনে অৱস্থাত ৰোজা হ'বনে নহয়?

উত্তৰঃ নহয়। (বাহাৰে শ্বৰীঅ'ত)

**প্ৰকাশক ঃ**
**মুহাম্মদ আজমূল হুছেইন**
বৰকুমাৰপাৰা

**সংকলক ঃ**
**হাফিজ ক্বাৰী মৌলানা ইঞ্জামূল হক**
বৰকুমাৰপাৰা, দৰং (অসম)

---

রোজাৰ বিষয়ে যিকোনো মাছআলা-মাছাঈল (কথা) জানিব বিচাৰিলে যোগাযোগ কৰক- ৮৬৩৮৭৩১৯১৭